**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 0705 Hrs

## *Assamese Morning Bulletin*
## *Headlines*

০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰ্মন শ্বনমুগৰত্নমক সাক্ষাৎ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মুম্বাই, চেন্নাই, কলকাতা, বাংগালুৰু, হায়দৰাবাদ, কোচিন আৰু আহমেদাবাদ বিমানবন্দৰত দ্ৰুত ইমিগ্ৰেছন আস্থাভাজন ভ্ৰমণ ব্যৱস্থা মুকলি কৰিব।

৩। চৰকাৰৰ ধ্বজাবাহী আঁচনি ষ্টাৰ্ট আপ ইণ্ডিয়াই আজি ৯ বছৰ সম্পূৰ্ণ কৰিছে।

৪। চৰকাৰে প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত উপস্থিত থকা ভক্তসকলৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু গুণসম্পন্ন খাদ্য যোগানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে।

***আৰু***

৫। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে সুন্দৰ প্ৰদৰ্শনেৰে খো-খো বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰ্মন শ্বনমুগৰত্নমক সাক্ষাৎ কৰিব। শ্ৰীশ্বনমুগৰত্নমে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে আজি নৈশ ভোজমেলৰ আয়োজন কৰিছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত ছিংগাপুৰৰ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই ছেমিকণ্ডাক্টৰ, ঔদ্যোগিক উদ্যান, দক্ষতা বিকাশ, ডিজিটেলাইজেশ্যন আৰু বাণিজ্যৰ প্ৰসাৰৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয় লৈ আলোচনা কৰা হয়। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৬০ বছৰ সম্পূৰ্ণ হ'বলৈ ওলাইছে আৰু এই সন্ধিক্ষণত ছিংগাপুৰৰ ৰাষ্ট্ৰপতিগৰাকীৰ ভাৰত ভ্ৰমণে উভয় দেশৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতাত গতি প্ৰদান কৰিব।

ৰাষ্ট্ৰপতি থৰ্মন পাঁচ-দিনীয়া ভ্ৰমণসূচীৰে সম্প্ৰতি ভাৰতত আছে। তেওঁৰ সৈতে মন্ত্ৰী, সাংসদ আৰু বিষয়াসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো ভাৰতলৈ আহিছে। ছিংগাপুৰৰ ৰাষ্ট্ৰপতি হিচাপে শ্ৰীশ্বনমুগৰত্নমৰ এইটো প্ৰথম ভাৰত ভ্ৰমণ। ভ্ৰমণকালত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ যাব। ভাৰত আৰু ছিংগাপুৰৰ মাজত মৈত্ৰী, আস্থা আৰু পাৰস্পৰিক সন্মানৰ ভিত্তিত সৰ্বাত্মক সহযোগিতাৰ সম্পৰ্ক আছে। ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণ দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

আন্তৰ্জাতিক বিমানযাত্ৰীসকলৰ ইমিগ্ৰেশ্বন ব্যৱস্থা সূচল আৰু নিৰাপদ কৰাৰ উদ্দেশ্যে প্ৰৱৰ্তন কৰা দ্ৰুত ইমিগ্ৰেছন আস্থাভাজন ভ্ৰমণ ব্যৱস্থা আজি গৃহমন্ত্ৰী অমিত শ্বাহে মুম্বাই, চেন্নাই, কলকাতা, বাংগালুৰু, হায়দৰাবাদ, কোচিন আৰু আহমেদাবাদ বিমানবন্দৰত   মুকলি কৰিব।

গৃহমন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই সুবিধা গ্ৰহণ কৰিবলৈ বিচৰা বিমান যাত্ৰীসকলে তেওঁলোকৰ আবেদন আৰু সংশ্লিষ্ট নথিপত্ৰ  গৃহ মন্ত্ৰালয়ৰ পোৰ্টেলত আপলোড কৰিব লাগিব। তেওঁলোকৰ বায়'মেট্ৰিক ডাটা সংশ্লিষ্ট  বিমান বন্দৰৰ আঞ্চলিক বিদেশী পঞ্জীয়ন  কাৰ্যালয়ত সংগ্ৰহ কৰা হ'ব আৰু তেওঁ লোকে বিমানৰ বোৰ্ডিং পাছ্ স্কেন কৰোৱাৰ প্ৰয়োজন নহ'ব। এই  ব্যৱস্থা অতি সোণকালে গুৱাহাটীকে ধৰি দেশৰ ২১ টা প্ৰধান বিমান বন্দৰত প্ৰৱৰ্তন কৰা হ'ব।

oooooooo

চৰকাৰৰ ধ্বজাবাহী আঁচনি ষ্টাৰ্ট আপ ইণ্ডিয়াই আজি ৯ বছৰ সম্পূৰ্ণ কৰিছে। দেশত ষ্টাৰ্ট আপ সংস্কৃতিৰ প্ৰসাৰ আৰু উদ্ভাৱন তথা উদ্যমশীলতাৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তোলাই এই আঁচনিৰ মূল উদ্দেশ্য। আমাৰ সংবাদদাতাই জনাইছে যে ষ্টাৰ্ট আপ ইণ্ডিয়া আঁচনিৰ অধীনত ষ্টাৰ্ট আপ প্ৰতিষ্ঠানৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তোলাৰ লগতে ভাৰতবৰ্ষক কৰ্মসংস্থাপন বিচৰাৰ পৰিৱৰ্তে কৰ্মসংস্থাপন সৃষ্টি কৰা দেশ হিচাপে গঢ়ি তোলাৰ বাবে অনেক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ  প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে কাইলৈৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

চৰকাৰে প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত উপস্থিত থকা ভক্তসকলৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু গুণসম্পন্ন খাদ্য যোগানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে। এই ব্যৱস্থাসমূহ সুনিশ্চিত কৰাৰ বাবে খাদ্য সুৰক্ষা বিষয়াসকলক কৰ্তব্যত মকৰল কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে, এইবাৰৰ কুম্ভমেলাক ৫ টা ক্ষেত্ৰ আৰু ২৫ টা খণ্ডত বিভক্ত কৰা হৈছে। কেন্দ্ৰীয় কাৰ্য্যালয়ে খাদ্য সুৰক্ষাৰ ব্যৱস্থাসমূহৰ সঞ্চালনা কৰি আছে। নিৰীক্ষণৰ কাৰ্য্যৰ বাবে বিভিন্ন স্থানীয় দলৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছে। বিভিন্ন ভ্ৰাম্যমান পৰীক্ষাগাৰত খাদ্য পৰীক্ষা কৰা হৈছে আৰু দুৰ্গন্ধময় তথা বেয়া খাদ্য যাতে বিতৰণ কৰা নাযায়, তাৰ ওপৰত নজৰ ৰখা হৈছে। ইয়াৰ লগতে স্থানীয় হোটেল, ধাবা আৰু সৰু-সুৰা খাদ্যৰ বিপণীসমূহৰ খাদ্যসমূহো পৰীক্ষা কৰি থকা হৈছে। চৰকাৰে মহাকুম্ভ মেলাৰ ভক্তসকলে যাতে সুৰক্ষিত আৰু সন্তোষজনক অভিজ্ঞতা লৈ ঘৰলৈ ঘূৰি যাব পাৰে, তাৰ প্ৰতি বিশেষ গুৰুত্ব দিছে।

oooooooo

মহাভিযোগৰ সন্মুখীন হোৱা দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি য়ুন শুক য়েঅ'লক কালি বিধি বলবৎকাৰী বিভাগৰ বিষয়াই আটক কৰে। তেওঁৰ বিৰুদ্ধে সামৰিক আইন বলবৎ কৰাৰ চেষ্টা চলোৱাৰ বাবে মহাভিযোগ উত্থাপন কৰা হৈছে আৰু বিদ্ৰোহৰ অভিযোগ অনা হৈছিল। দক্ষিণ কোৰিয়াৰ ইতিহাসত এইবাৰেই প্ৰথম বাৰৰ বাবে কাৰ্যৰত কোনো এগৰাকী ৰাষ্ট্ৰপতিক আটক কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীক যোৱা নিশা ডিটেনশ্যন কেন্দ্ৰত ৰখা হয় আৰু আজি তেওঁক সামৰিক আইন বলবৎ কৰাৰ বিষয় লৈ সোধা-পোচা কৰা হ'ব।

০০০০০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে কালি লাক্ষাদ্বীপৰ চুহেলী দ্বীপৰ সমীপত শিশু আৰু মহিলাসহ সন্ধানহীন হোৱা এখন মাছ ধৰা নাও উদ্ধাৰ কৰে। নাওখন কাৱাৰাথীৰ পৰা তীৰ্থযাত্ৰা কৰি চুহেলীলৈ গৈছিল।

লাক্ষাদ্বীপৰ প্ৰশাসনৰ পৰা বাৰ্তা লাভ কৰাৰ পাছত উপকূলৰক্ষী বাহিনীয়ে উদ্ধাৰ অভিযান আৰম্ভ কৰে আৰু উপকূলীয় নিৰীক্ষণ পদ্ধতিৰ সহায়ত নাওখনৰ সন্ধান উলিয়ায়। ২২গৰাকী মহিলা আৰু ২৩টি শিশুকে ধৰি নাওখনত থকা ৫৪গৰাকী লোকক উদ্ধাৰ কৰি কাৱাৰাথীলৈ লৈ যোৱা হয়।

০০০০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে আজি সন্ধিয়া কেৰালাৰ কোচিত বৈদেশিক মন্ত্ৰালয়ে ৰাজহুৱা নীতি গৱেষণা কেন্দ্ৰৰ সহযোগত আয়োজিত কৰা কোচি ডায়লগ ২০২৫ৰ প্ৰথম সংস্কৰণ মুকলি কৰিব। দুদিনীয়াকৈ আয়োজিত এই কূটনৈতিক আলোচনাত ভাৰত আৰু উপসাগৰীয় সহযোগিতা পৰিষদৰ দেশসমূহৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ বাবে তথা অংশীদাৰিত্ব আৰু সহযোগিতা লাভান্বিত কৰাৰ অৰ্থে ইণ্ডিয়াজ লুক ৱেষ্ট পলিচী ইন এক্সন ঃ জনসাধাৰণ, সমৃদ্ধি আৰু উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

জি চি চিৰ সচিব প্ৰধান জাচেম মহম্মদ অল বুদাইৱিয়ে কোচি ডায়লগত বিশেষ ভাষণ দিব। এই অনুষ্ঠানত মুখ্য কূটনীতিবিদ, চৰকাৰী বিষয়া, নীতি প্ৰণেতা, ব্যৱসায়িক জগতৰ কাণ্ডাৰী আৰু অন্যান্য অংশীদাৰসকলক একত্ৰিত কৰি কাৰ্যমুখী সহযোগিতা গঢ়ি তোলা হ'ব।

০০০০০০০০

ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে সুন্দৰ প্ৰদৰ্শনেৰে খো-খো বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। ভাৰতীয় পুৰুষ দলে কালি নতুন দিল্লী ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পেৰুৰ বিৰুদ্ধে ৭০-৩৮ পইণ্টত জয়লাভ কৰে। আদিত্য গণপুলে, শিৱা ৰেড্ডী আৰু শচীন ভাৰগোৰ প্ৰয়াসেৰে ভাৰতীয় দলে প্ৰথমৰ পৰাই খেলখনত আধিপত্য বিস্তাৰ কৰে আৰু ৩২ পইণ্টৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। খেলখনত ভাৰতৰ অনিকেট পোটেক শ্ৰেষ্ঠ খেলুৱৈ আৰু ৰামজী কাশ্যপক শ্ৰেষ্ঠ এটেকাৰৰ সন্মান প্ৰদান কৰা হয়। পেৰু দলৰ হৈ গেনৰ ৱৰ্গাছ শ্ৰেষ্ঠ এটেকাৰৰূপে পৰিগণিত হয়।

ইপিনে, ভাৰতীয় মহিলা দলে কালি ইৰাণৰ বিৰুদ্ধে ১০০-১৬ পইণ্টৰ ব্যৱধানত বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ আক্ৰমণাত্মক খেলৰ বাবে ইৰাণৰ প্ৰথমটো বেট্চ মাত্ৰ ৩৩ ছেকেণ্ডতে আউট হয়। অশ্বিনীয়ে ভাৰতীয় দলৰ আক্ৰমণৰ নেতৃত্ব বহন কৰে আৰু মিনুই বিৰোধী দলৰ কেইবাগৰাকীও খেলুৱৈক আউট কৰি দলৰ হৈ পইণ্ট অৰ্জন কৰে। ভাৰতৰ প্ৰিয়ংকা ইংলেক শ্ৰেষ্ঠ খেলুৱৈ আৰু মিনুক শ্ৰেষ্ঠ ডিফেণ্ডাৰ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০০

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত আজি হ'বলগীয়া আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ এফ চি মুম্বাই চিটী এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। পঞ্জাৱ এফ চিয়ে এইবাৰৰ আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ ছন্দ লাভৰ বাবে সংঘৰ্ষ কৰি আছে আৰু দলটো যোৱা দুখন খেলত পৰাজয়ৰ সন্মুখীন হৈছে। পূৰ্বৰ ৫খন খেলত জয়লাভ কৰা মুম্বাই চিটী এফ চি দলে আজিৰ খেলখনত এই ধাৰা অক্ষুন্ন ৰখাৰ বাবে চেষ্টা চলাব। পাঞ্জাৱ এফ চি দলে ১৪খন খেলৰ পৰা ১৯ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ নৱম স্থানত আছে আৰু মুম্বাই চিটী এফ চিয়ে ১৫খন খেলৰ পৰা ২৩ পইণ্ট লাভ কৰি ষষ্ঠ স্থানত আছে।

oooooooo

সমাপ্ত